Name:- Suma Ghosh.

Class :- IX.

Roll No :- 16.

School Name :- Mairajhar Brahmamayee High School.

Head Master
Mairajhar Bra[illegible]amayee
High Sc[illegible]ol
Date.....................



লাচিত বৰফুকন :- অসমৰ দেশপ্ৰেমিক বীৰ বুলি ক'লে বিশেষভাৱে লাচিত বৰফুকনৰ নামেই লোৱা হয়।

ঐতিহাসিক আহোম-মোগলৰ শৰাইঘাট যুদ্ধৰ স্থল নেতৃত্ব লব ~~লো~~ লগা হৈছিল লাচিত বৰফুকনে। মোগলৰ বিৰুদ্ধে লাচিত বৰফুকনৰ যুদ্ধ পৰিচালনাৰ কাহিনীত যি জাতীয় দায়বদ্ধতা, নিয়মানুৱৰ্ত্তিতা আৰু একমুখী কাৰ্য পন্থাৰ উদাহৰণ পোৱা যায়, অসমৰ ইতিহাসত তেনে আন উদাহৰণ সততে পোৱা নাযায়। এই গৰাকী লাচিত বৰফুকনৰ জন্ম হয় ১৬২২ খ্ৰীষ্টাব্দত



দিন-বাৰ আৰু স্থান সম্পৰ্কে সঠিকভাৱে জনা নহ'লেও গড়গাঁৱৰ ওচৰে-পাজৰে বুলি অনুমান কৰা হয়। তেওঁৰ দেউতাকৰ নাম আছিল মোমাই তামুলী বৰবৰুৱা। কনিষ্ঠ সন্তান লাচিতৰ তিনিজন ককায়েক আছিল। তেওঁলোক হ'ল- লালুকসোলা, মৰংগী আৰু ভাৰবৰা। সৰুৰে পৰা লাচিত আছিল বৰ সাহসী। সততা আৰু স্পষ্টবাদিতা তেওঁৰ আন এক বৈশিষ্ট্য। দেউতাক মোমাই তামুলীয়ে নিজৰ সন্তানক উপযুক্ত

শিক্ষাৰে শিক্ষিত কৰিবলৈ সদায়েই চেষ্টা কৰিছিল। সৰুৰে পৰা দেউতাকৰ কাম-কাজ লাচিতে প্ৰত্যক্ষ কৰাৰ সুবিধা পাইছিল। বৰবৰুৱা হিচাপে স্বৰ্গদেৱৰ ৰাজচ'ৰা, ন্যায়লয় আদিত দেউতাকৰ কাম-কাজ বিভিন্ন ডা-ডাঙৰীয়া আৰু বিষয়াৰ সৈতে হোৱা আলোচনাবোৰ লাচিতে প্ৰত্যক্ষ



কৰিব পাৰিছিল। সেই কথাত দেউতাকৰ ৰাজ-কাৰ্যাৱলীক নিৰীক্ষণ কৰি লাচিতে বহু কথাই শিকাৰ সুবিধা পাইছিল।

খুব সোনকালেই নিজৰ দক্ষতাৰ বলত ৰজাঘৰত লাচিতে নিযুক্তি লাভ কৰিছিল। প্ৰথম অৱস্থাত ৰাজমন্ত্ৰী ডাঙৰীয়াই 'হাঁচতিধৰা আমুলী' হিচাপে লাচিতক নিযুক্তি দিয়ে। ইয়াৰ পিছতে কিছুদিনৰ পাছে 'ঘোঁৰা বৰুৱা'

পদবী তেওঁ লাভ কৰে । এই পদবীত থকাৰ সময়ত ৰজাৰ ঘোঁৰাশালৰ ভালেমান ঘোঁৰাক তত্ত্বাৱধান কৰি সেইবোৰক প্ৰশিক্ষণ দিছিল । ইয়াৰ পিছতে 'দোলীয়া বৰুৱা' আৰু 'শিমলুগুৰীয়া ফুকন'ৰ পদত নিযুক্তি লাভ কৰে । সেই সময়তে মিৰজুমলাই অসম আক্ৰমণ কৰাত লাচিতে দিখৌমুখত শত্ৰুসৈন্যৰ লগত যুদ্ধ কৰিছিল আৰু নিজৰ দক্ষতা দেখুৱাব পাৰিছিল । লাচিতৰ পাৰদৰ্শিতা আৰু পৰাক্ৰমৰ উমান পাই সেই সময়ৰ আহোম ৰজা চক্ৰধ্বজ সিংহই লাচিতক বৰসেনাপতি পাতিলে আৰু বৰফুকনক পদত নিযুক্তি কৰিলে। ইয়াৰ কিছুদিন পিছতে ১৬৬৭ চনৰ ২০ আগষ্টত আহোম-মোগলৰ যুদ্ধ আৰম্ভ হয় । অসমীয়া সেনা দুভাগত বিভক্ত হৈ ব্ৰহ্মপুত্ৰেৰে যাত্ৰা আৰম্ভ কৰিলে । মোগলৰ লগত প্ৰথমখন যুদ্ধ আৰম্ভ হ'ল ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে থকা বাঁহবাৰীত । তাতে বাহৰ পৰা মোগলক আক্ৰমণ কৰি আহোম সেনাই যুদ্ধৰ পাতনি মেলিলে । তাৰ পিছত দক্ষিণ পাৰৰ কাজলীত থকা মোগলৰ দুৰ্গও আহোমে নিজৰ অধীনলৈ আনে । ইটাখুলিত চাউনি পাতি মোগলে নিজৰ শক্তি বৃদ্ধি কৰাৰ চেষ্টা কৰিছিল যদিও সেয়াও আহোম সেনাই বিফল কৰিলে আৰু মোগলক মানাহ নদী পাৰ কৰি খেদি পঠালে । মোগলৰ লগত হোৱা এই যুদ্ধৰ বিজয়ে অসমীয়া

সেনাক আত্মবিশ্বাসী কৰি তুলিলে। সেনাপতি
হিচাপে লাচিত বৰফুকনে প্ৰশংসিত হ'ল।
অসমীয়া সেনাৰ হাতত হোৱা মোগলৰ পৰাজয়ৰ
কথা মোগল সম্ৰাট ঔৰংজেৱৰ কানত পৰিল।
খবৰ পায়েই তেওঁ লাজ আৰু অপমানত তাৰ
প্ৰতিশোধ ল'বলৈ মন কৰিলে। ঔৰংজেৱৰ
নিৰ্দেশ মতেই ৰামসিংহৰ নেতৃত্বত এক বিশাল
সেনাই পুনৰ অসম আক্ৰমন কৰিবলৈ আহিল।
লাচিত বৰফুকনে ভালদৰে উপলব্ধি কৰিছিল যে
শত্ৰু যিমানেই শক্তিশালী নহওক, প্ৰতিজন অসমীয়া
সেনা আৰু সেনাপতিয়ে যদি নিজৰ দায়িত্ব সঠিক-
ৰূপে পালন কৰে, তেওঁলোকে মোগলক পৰাস্ত কৰিব





পাৰিবই। তেওঁ এইবুলিও নিৰ্দেশ জাৰি কৰিলে যে কোনোৱা যদি নিজৰ দায়িত্ব সঠিকভাৱে পালন নকৰে বা নিজৰ কৰ্তব্যত অৱহেলা কৰে, তেন্তে সেই কথা গম পোৱাৰ লগে লগে সেইজনক শিৰচ্ছেদ কৰা হ'ব। লাচিতে সেনাসকলৰ কোন ক'ত থাকিব, তাৰ অৱস্থানো নিৰ্ণয় কৰি দিছিল। যুদ্ধৰ সম্ভাব্য দিন চমু চাপি অহাৰ লগে লগে লাচিতে সঘনাই সেনানায়কসকলৰ লগত আলোচনা কৰিবলৈ ল'লে, যাতে ৰণসজ্জা আৰু অন্যান্য ব্যৱস্থাসমূহ তেওঁৰ নখদৰ্পণত থাকে আৰু লগতে সেই সেনানায়কসকলক উদ্বুদ্ধ কৰি ৰাখিব পৰা যায়। আমিন গাঁৱৰ ওচৰৰ গড় এটা বন্ধাৰ মূল দায়িত্ব পৰিছিল লাচিতৰ এজন মোমায়েকৰ ওপৰত। ~~মোমায়েকৰ ওপৰত~~। মোমায়েকৰ দায়িত্বহীনতাৰ বাবেই গড়টোৰ কাম

বস্তুত পিছু পৰি থকাত লাচিতে ক্ৰুদ্ধত জ্বলি-পকি উঠিল আৰু হেংদাং উলিয়াই একে ঘাপতে মোমায়েকৰ কাটি দুছোৱা কৰি কলে- 'দেশতকৈ মোমাই ডাঙৰ নহয়।' লাচিতৰ এনে উগ্ৰমূৰ্তি দেখি গড়ৰ কাম কৰা লোকসকলে বৰ ভয় খালে আৰু ~~অপাৰ~~ অপৰিসীম পৰিশ্ৰম কৰি ৰাতিটোৰ ভিতৰতে গড়ৰ কাম সম্পূৰ্ণ কৰি তুলিলে। সেই গড়টোক এতিয়া 'মোমাই কটা গড়' নামেৰে জনা যায়। তদুপৰি 'দেশতকৈ মোমাই ডাঙৰ নহয়' কথাষাৰ এতিয়াও শ্ৰেষ্ঠ দেশপ্ৰেমমূলক বাক্য বুলি গণ্য কৰা হয়।